Regional News Unit
All India Radio, Guwahati
0000000000

Date : 25-08-2024
Time : 1845 Hrs

# *Assamese Evening Bulletin*

:::::::::::::::::::::::::::::::::::::

## Headlines

১। মহাকাশ খণ্ডৰ সংস্কাৰৰ জৰিয়তে দেশৰ যুৱ সমাজ বহু পৰিমাণে লাভান্বিত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীৰ প্ৰকাশ।

২। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতত তিনিচুকীয়াৰ বাৰেকুৰিৰ মৰাণ জনগোষ্ঠী আৰু হলৌ বান্দৰৰ বন্ধুত্বসুলভ সম্পৰ্কক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

৩। ৰাজ্যত ঘটি থকা ধৰ্ষণৰ ঘটনা সমাজৰ পৰা নিৰ্মূল কৰাটো সামূহিক দায়িত্ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

*আৰু*

৪। নতুন পেঞ্চন আঁচনি ইউ পি এছৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহাকাশ খণ্ডৰ সংস্কাৰৰ জৰিয়তে দেশৰ যুৱ সমাজ বহু পৰিমাণে লাভান্বিত হৈছে। আকাশবাণীযোগে প্ৰচাৰিত নিয়মীয়া অনুষ্ঠান মন কী বাতত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশত বহু ক্ষেত্ৰত সংস্কাৰমূলক কাম-কাজ হৈছে আৰু এইসমূহ কাম-কাজে উন্নত ভাৰতৰ ভেটি শক্তিশালী কৰিব। তেওঁ কয় যে, ২৩ আগষ্টত দেশবাসীয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰিলে আৰু লগতে চন্দ্ৰযান-৩ৰ সাফল্যকো উদযাপন কৰিলে। যোৱা বছৰৰ ২৩ আগষ্টত চন্দ্ৰযান-৩য়ে জোনবাইৰ দক্ষিণ অংশত থকা শিৱশক্তি পইণ্টত সফলভাৱে অৱতৰণ কৰিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এই সাফল্য অৰ্জন কৰা ভাৰত বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছিল। শ্ৰীমোদীয়ে আজিৰ অনুষ্ঠানত আই আই টি মাদ্ৰাজৰ একাংশ প্ৰাক্তন শিক্ষাৰ্থীয়ে স্থাপন কৰা গেলেক্সি আই নামৰ মহাকাশ প্ৰযুক্তিৰ ষ্টাৰ্টআপটোৰ এটা দলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, মহাকাশ পৰিবেশ তন্ত্ৰ এতিয়া অত্যন্ত গুৰুত্বপূৰ্ণ হৈ উঠিছে।

মানুহ আৰু জীৱ-জন্তুৰ আত্মিক বান্ধোনৰ প্ৰসংগৰে প্ৰধানমন্ত্ৰীয়ে অসমৰ তিনিচুকীয়া জিলাৰ প্ৰান্তীয় গাওঁ বাৰেকুৰিৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, এই গাওঁখনত বাসিন্দাসকলে মৰাণ জনগোষ্ঠীয় লোক আৰু তেওঁলোক হলৌ বান্দৰৰ সৈতে মৰমৰ বান্ধোনেৰে সংপৃক্ত হৈ আছে। তেঁও কয় যে, গাওঁবাসীয়ে যেতিয়া হলৌ বান্দৰে কল ভাল পাই বুলি জানিব পাৰিলে তেতিয়া তেওঁলোকে নিজৰ কৃষিভূমিত কল খেতি কৰিবলৈ ল'লে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নিজৰ

আত্মীয়ৰ জন্ম-মৃত্যু দিৱস পালন কৰাৰ দৰে গাওবাসীয়ে হলৌ বান্দৰৰ জন্ম আৰু মৃত্যুৰ দিন পালন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। গাওঁখনৰ বাসিন্দাসকলে বান্দৰবোৰৰ একোটা নামো দিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

একেধৰণৰ আন এটা ঘটনাৰ উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, অৰুণাচল প্ৰদেশৰ একাংশ যুৱক-যুৱতীয়ে বন্য জন্তুক যাতে শিং আৰু দাঁতৰ বাবে কোনোবাই হত্যা কৰিব নোৱাৰে, তাৰ বাবে থ্ৰি ডি প্ৰিণ্টিং প্ৰযুক্তি ব্যৱহাৰ কৰিছে। নাবাম বাপু আৰু লিখা নানাৰ নেতৃত্বত এই দলটোৱে জন্তুবোৰৰ শিং আৰু দাঁতকে ধৰি শৰীৰৰ বিভিন্ন অংশত থ্ৰি ডি প্ৰিণ্টিং কৰিছে। তেওঁ কয় যে, বন্য জন্তুক সুৰক্ষা দিবলৈ আৰু পৰম্পৰা ৰক্ষা কৰিবলৈ এইক্ষেত্ৰত ষ্টাৰ্টআপসমূহ আগবাঢ়ি আহিব লাগে। শ্ৰীমোদীয়ে সমাগত উৎসৱ জন্মাষ্টমি, গণেশ চতুৰ্থী, অনাম, মিলাদ উন নবী, আৰু তেলেগু ভাষা দিৱসৰ বাবে দেশবাসীক আগতীয়াকৈ শুভেচ্ছা জনায়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানত তিনিচুকীয়া জিলাৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ আৰু মৰাণ জনগোষ্ঠীৰ প্ৰসংগটোৱে স্থান লাভ কৰাক লৈ জিলাবাসী উৎফুল্লিত হৈ পৰিছে। তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে প্ৰধানমন্ত্ৰী মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো ধৰ্ষণৰ ঘটনাক নিন্দা কৰাৰ লগতে সমাজৰ পৰা এনে জঘন্য অপৰাধ নিৰ্মূল কৰাটো সামূহিক দায়িত্ব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যম এক্সত আজি এটি পোষ্টযোগে এই কথা প্ৰকাশ কৰি তেওঁ যোৱা ২৪টা বছৰত ৰাজ্যত সংঘটিত হোৱা ধৰ্ষণৰ তথ্য দাঙি ধৰে। প্ৰকাশিত তথ্য অনুসৰি চলিত বৰ্ষৰ জুলাই মাহলৈ ৰাজ্যত ৫৮০টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। যোৱা বৰ্ষত ৯৮৯টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছিল। এনে ধৰণৰ জঘন্য ঘটনা হ্ৰাস কৰাৰ লগতে মহিলাসকলৰ বাবে সুৰক্ষিত পৰিবেশ গঢ়ি তুলিবলৈ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা আৰু দায়বদ্ধতা এই প্ৰতিবেদনৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ লগতে সমাজত এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাটো সুনিশ্চিত কৰাৰ লগতে নিৰাপত্তা আৰু ন্যায়ৰ পৰিবেশ গঢ়ি তুলিবলৈ সকলোকে আহ্বান জনাইছে।

oooooooo

কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলৰ নিশ্চিত পেঞ্চন প্ৰদানৰ উদ্দেশ্যে নতুন পেঞ্চন আঁচনি, একীকৃত পেঞ্চন আঁচনি চমুকৈ ইউ পি এছত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ পিছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, এই আঁচনিৰ অধীনত ২৫ বছৰ সেৱা আগবঢ়োৱাৰ পাছত শেষৰ ১২টা মাহৰ দৰমহাৰ ৫০ শতাংশ পেঞ্চন হিচাপে আগবঢ়োৱা হ'ব। তদুপৰি এই আঁচনিত কৰ্মচাৰীৰ মৃত্যুৰ পাছত পৰিয়ালৰ বাবে ৬০ শতাংশ পেঞ্চনৰ নিশ্চিতি প্ৰদান কৰা হৈছে। কৰ্মচাৰীসকলে এই আঁচনিৰ অধীনত ১০ বছৰ কৰ্মজীৱনৰ অন্তত মাহিলী পেঞ্চন হিচাপে ১০ হাজাৰ টকাকৈ লাভ কৰিব। শ্ৰীবৈষ্ণৱে কয় যে, এই আঁচনিৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব। এই আঁচনিখন ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। তেওঁ লগতে কয় যে ৫০ শতাংশ নিশ্চিত পেঞ্চন প্ৰদান কৰাটো আঁচনিখনৰ বৈশিষ্ট্য। নিশ্চিত পৰিয়াল পেঞ্চন কৰাৰ লক্ষ্যৰে এই আঁচনিখন গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় পেঞ্চন নীতি অৰ্থাৎ এন পি এছৰ অধীনত থকা কৰ্মচাৰীসকলে

এতিয়াৰে পৰা ইউ পি এছলৈ আহিব পাৰিব। উল্লেখযোগ্য যে ইউ পি এছত চৰকাৰৰ ১৮ দশমিক ৫ শতাংশ অংশ থাকিব।

০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী পিযুষ হাজৰিকাই জাগীৰোডত নিৰ্মীয়মান অৱস্থাত থকা মিনি ষ্টেডিয়াম পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম-কাজসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ জাগীৰোড বহুমুখী প্ৰেক্ষাগৃহ তথা জাগীৰোড শাখা সাহিত্য সভাৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে।

০০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল গুৱাহাটীৰ ফাঁচীবজাৰ অঞ্চলত ভগৱান মহাবীৰ ধৰ্মস্থলত নাৰায়ণ সেৱা সংস্থাই আয়োজন কৰা নাৰায়ণ কৃত্ৰিম অঙ্গ সংস্থাপন শিবিৰত উপস্থিত থাকে। এই শিবিৰত ৰাজ্যৰ ২৬৫ গৰাকী দিব্যাংগ লোকে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে সংস্থাটোৱে প্ৰদৰ্শন কৰা সামাজিক দায়বদ্ধতাই ৰাজ্যৰ দিব্যাংগ লোকসকলক মৰ্যদাসহ জীয়াই থকাত সহায় কৰিব।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি  হোজাইৰ আৱৰ্ত ভৱনত খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন আৰু পঞ্চদশ বিত্তীয় আয়োগৰ মুখ্য দিশসমূহৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব, হোজাইৰ আয়ুক্তকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

অসম গণ পৰিষদৰ সাংগঠনিক পৰিকাঠামো অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আজিৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে বুথ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত দলটোৰ সভাপতি অতুল বৰা প্ৰমুখ্যে সাংসদ, বিধায়ক, কেন্দ্ৰীয় সমিতিৰ  বিষয়ববীয়া তথা জিলা  বিধানসভা আৰু আঞ্চলিক সমিতিৰো সদস্যসকলে অংশগ্ৰহণ কৰিব।

পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত তেলিয়ামৰিয়া বুথ সমিতিৰ সভাত উপস্থিত থাকে। সভাত ভাষণ দি  মন্ত্ৰীগৰাকীয়ে সমাগত পঞ্চায়ত নিৰ্বাচনত আশাপ্ৰদ সফলতা কামনা কৰি কৰ্মকৰ্তাসকলক নিষ্ঠাৰে সাংগঠনিক কাম-কাজত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। অতুল বৰাই আজি কমাৰবন্ধাত ডেৰগাওঁ বিধানসভা সমষ্টি অসম যুৱ পৰিষদৰ কাৰ্যবাহী বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অংশগ্ৰহণ কৰি শ্ৰীবৰাই সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে শক্তিশালী সম্পৰ্ক গঢ়ি তুলিবলৈ দলীয় কৰ্মকৰ্তাসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত চলন্তিকা অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা, পৰিচালক, প্ৰযোজক, চলচ্চিত্ৰ গৱেষক, চিত্ৰনাট্যকাৰ ববী শৰ্মা বৰুৱাৰ সৈতে এটি কথোপকথন প্ৰচাৰ কৰিব।  তেখেতৰ সৈতে কথা পাতিব সংগীতা শৰ্মায়। অনুষ্ঠানটোৰ প্ৰযোজনা মানস প্ৰতীম শৰ্মাৰ।

০০০০০০০

দেশৰ ভিন্ন প্ৰন্তৰ লগতে ৰাজ্যতো অহা ১ ছেপ্তেম্বৰত ভাৰতীয় জনতা পাৰ্টীৰ সদস্যতা অভিযান আৰম্ভ হ'ব। এই অভিযানৰ সৈতে সংগতি ৰাখি আজি যোৰহাট জিলাৰ চেলেংহাট আৰু কলিয়াপানী মণ্ডল কাৰ্যালয়ত এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতাই কৰ্মশালাত অংশগ্ৰহণ কৰি প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০০০০

পথ সুৰক্ষা সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে যোৰহাটত এটা স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত আজি বিশেষ সভা অনুষ্ঠিত হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱ জ্যোতি শইকীয়াই সভাত অংশগ্ৰহণ কৰি পথ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আইনী দিশসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ সচেতনতা বৃদ্ধিৰ জৰিয়তে সুৰক্ষিত পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্ৰত ন্যায়পালিকাৰ ভূমিকা সন্দৰ্ভতো সভাত আলোকপাত কৰে। পথ সুৰক্ষাৰ নিয়মসমূহ বলবৎ কৰাৰ লগতে তেওঁ সকলোকে উপযুক্ত নিয়মসমূহ মানি চলিবলৈ আহ্বান জনায়। যোৰহাট জিলা আয়ুক্তগৰাকীয়ে সভাত অংশগ্ৰহণ কৰি পথ সুৰক্ষা বৃদ্ধি আৰু দুৰ্ঘটনা হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত ভাষণ প্ৰদান কৰে। তেওঁ দুচকীয়া বাহনৰ চালকসকলক হেলমেট পৰিধান কৰিবলৈ আহ্বান জনোৱাৰ লগতে সুৰাপান কৰি বাহন চলোৱা চালকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ দিশত গুৰুত্ব আৰোপ কৰে। যোৰহাট জিলাৰ আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ তথা জিলা ন্যায়াধীশ আৰু আৰক্ষী অধীক্ষকগৰাকীয়ে ভাষণ প্ৰসংগত দুৰ্ঘটনা হ্ৰাস আৰু জীৱনৰক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া সতৰ্কতা সন্দৰ্ভত অৱগত কৰে।

০০০০০

অসম চৰকাৰে ৰাজ্যখনত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা ৰোধৰ বাবে তাৎক্ষণিক সিদ্ধান্তৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত  বিশ্ব শৰ্মাৰ প্ৰকাশ, ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক গৰিমামণ্ডিত কৰাৰ পৱিত্ৰ উৎসৱ ৰাখী বন্ধন আজি সমগ্ৰ দেশজুৰি পালন, অসম বিধানসভাৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে আজি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ আদিকে ধৰি ভিন ভিন বাতৰিয়ে বিগত সপ্তাহত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰিছে।

অসম চৰকাৰে ৰাজ্যখনত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা ৰোধৰ বাবে তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্যকৰী ব্যৱস্থা লয় বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কৈছে যে বিৰোধী পক্ষই সমালোচনা কৰিলেও চৰকাৰে এনে বহু ক্ষেত্ৰত তাৎক্ষণিকভাৱে ন্যায় প্ৰদানৰ ব্যৱস্থা কৰিছে। চৰকাৰে ভৱিষ্যতেও এনে ক্ষেত্ৰসমূহত তৎকালীনভাৱে ন্যায়ৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত স্মাৰ্ট মিটাৰ সংস্থাপনৰ প্ৰসংগ উল্লেখ কৰি কয় যে ৰাজ্যখনত স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুতৰ মাচুল বৃদ্ধি হোৱা কথাটো সত্য নহয়। ইয়াৰ বিপৰীতে এই মিটাৰ সংস্থাপনে গ্ৰাহকক মিতব্যয়ীভাৱে বিদ্যুৎ ব্যৱহাৰ কৰাৰ সুবিধা দিছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ মাচুল বৃদ্ধি হোৱা বুলি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক গৰিমামণ্ডিত কৰাৰ পৱিত্ৰ উৎসৱ ৰাখী বন্ধন যোৱা ১৯ আগষ্টত সমগ্ৰ দেশজুৰি পালন কৰা হয়। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ

হকে প্ৰাৰ্থনা জনায়। ইয়াৰ বিনিময়ত ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সহযোগিতাৰ প্ৰতিশ্ৰুতি দি তেওঁলোকক উপহাৰ প্ৰদান কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো ভাতৃ-ভগ্নীৰ পৱিত্ৰ বন্ধনৰ উৎসৱ ৰাখী বন্ধন পালন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত তথা এটা স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত পৰিচালিত সোণাপুৰ চৰকাৰী বৃদ্ধাবাসত আয়োজিত ৰাখী বন্ধনৰ কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বৃদ্ধাশ্ৰমখনৰ আবাসীসকলৰ সৈতে মত বিনিময় কৰে।

অসম বিধানসভাৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে যোৱা ২০ আগষ্টত  চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ছিদলী, ছামগুৰি, বঙাইগাঁও, বিহালী আৰু ধলাই সমষ্টিৰ বাবে ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়।

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে ৰাজ্যৰ নগৰাঞ্চলৰ সুপৰিকল্পিত আৰু দ্ৰুত বিকাশৰ বাবে **দহ চহৰ এক ৰূপায়ণ** শীৰ্ষক বিশেষ পদক্ষেপ লৈছে। এই সন্দৰ্ভত অলপতে  যোৰহাট জিলাৰ আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত নগৰখনৰ উপযুক্ত পৰিকল্পনা, গোটা আৱৰ্জনা ব্যৱস্থাপনা, বিশুদ্ধ আৰু নিয়মীয়া পানী যোগান, ৰাজহুৱা আন্তঃগাঁথনি, যান-বাহন ব্যৱস্থাপনা আদি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ প্ৰতিনিধিয়ে **দহ চহৰ এক ৰূপায়ণ** প্ৰকল্প সম্পৰ্কে বিতংভাৱে অৱগত কৰে।

ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে যোৱা ২১ আগষ্টত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী দুগৰাকীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শাসকীয় মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

অধ্যাপক ড০ ননীগোপাল মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। বিদায়ী উপাচাৰ্য প্ৰতাপজ্যোতি সন্দিকৈৰ কাৰ্যকালৰ সামৰণি পৰাৰ পাছত ড০ মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰে।  বিশ্ববিদ্যালয়খনত উপস্থিত হোৱাৰ পাছত তেওঁক শিক্ষক-কৰ্মচাৰীসকলে আদৰণি জনায়। ইয়াৰ পাছত সাংবাদিকৰ আগত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি উপাচাৰ্যগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক দেশৰ শীৰ্ষৰ ১০খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ভিতৰত এন-আৰ-এফ ৰেংকিঙত পাঁচ নম্বৰ স্থানলৈ অনাৰ বাবে তেওঁ কাম কৰি যাব। তদুপৰি বিশ্ববিদ্যালয়খনৰ পৰীক্ষাৰ বেমেজালি দূৰ কৰা, বিদ্যায়তনিক ক্ষেত্ৰৰ গুণগত মান উন্নীত কৰাৰ বাবেও তেওঁ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

যোৰহাট জিলাৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে তিনিদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্য প্ৰকৃতি সম্পৰ্কীয় প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰে। এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ ৩ খন কেন্দ্ৰীয় বিদ্যালয়, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ লগতে বায়ুসেনা কেন্দ্ৰৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ কেইগৰাকীয়ে শিবিৰত অংশগ্ৰহণ কৰি প্ৰকৃতি সংৰক্ষণ তথা মানুহৰ জীৱন শৈলী সলনি কৰি পৃথিৱীখনক সুন্দৰভাৱে গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

অসমত ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়, নাৰ্চিং মহাবিদ্যালয়, দন্ত চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি স্থাপনৰ পূৰ্বে এতিয়াৰে পৰা আগতীয়া সুৰক্ষাজনিত অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ পূৰ্বেও এনে ধৰণৰ ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠানক অনুজ্ঞা প্ৰদানৰ আগেয়ে চোৰাংচোৰা সংস্থাৰ প্ৰতিবেদন বিচাৰে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অসমতো দুই-তিনি মাহৰ ভিতৰতে এই ধৰণৰ আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত